অসম আদিত্য

২০০ ঢুলীয়া-নাচনীৰ অংশগ্ৰহণত উখল-মাখল হৈছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন

# বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, সাহিত্য সভাৰ কৰ্মশালাৰ সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১২ এপ্ৰিল ঃ** বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় সাহিত্য সভা, নৃত্যাংগণ কলাকেন্দ্ৰ আৰু মূৰ্ছনা সংগীত বিদ্যালয়ৰ যুগ্ম প্ৰচেষ্টাত ৭ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা ৬ দিনীয়া কৰ্মশালাৰ আজি সামৰণি পৰে। প্ৰায় ২০০ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত ডিব্ৰুগড় সাহিত্য সভাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন আৰু নগাখেলীয়া খেলপথাৰৰ এক প্ৰাকৃতিক পৰিৱেশত সম্পন্ন হয়। ৰবিহুৱতী ৰুবি গগৈ সন্দিকৈ, অনাতাঁৰ শিল্পী ভূৱন গগৈ, বিহুৱা তথা বিশিষ্ট লোকশিল্পী জিতেন দাসে প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰা কৰ্মশালাখনিত ৰং-বসন্ত বিহুৱা দল আৰু ডিবৰু বিহু দলে পূৰ্ণসহযোগিতা আগবঢ়ায়। আজি অনুষ্ঠিত কৰ্মশালাৰ সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট বিহু বিশেষজ্ঞ তথা বিহু বিষয়ক গৱেষক আৰু একে বিষয়ৰ কেইবাখনো গ্ৰন্থৰ লেখক ডাঃ চিত্ৰজ্যোতি চেতিয়াই প্ৰশিক্ষাৰ্থীসকলক বিহুনাচ আৰু ঢোলবাদন সন্দৰ্ভত বহু গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই সামৰণী অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা লেখক ড° শশীকান্ত শইকীয়ায়ো আজি সামৰণী অনুষ্ঠানত উপস্থিত থাকি প্ৰদান কৰা ভাষণেৰে প্ৰশিক্ষাৰ্থীসকলক উপকৃত কৰে। আন এগৰাকী বক্তা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা অসম আদিত্যৰ কাৰ্যবাহী সম্পাদক মনজিৎ বৰাই নতুন প্ৰজন্মক বিহু সংস্কৃতিৰ বিষয়ত জ্ঞান আয়ত্ত কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত অভিভাৱকসকলেও গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলি বৰাই কয়। বিশিষ্ট সাংবাদিক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ভূৱন মোহন গোস্বামী, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰা, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ৰুণুমা শৰ্মা, মিনাক্ষী দাস আদিয়ে অংশগ্ৰহণ কৰে। সামৰণী অনুষ্ঠানত প্ৰশিক্ষকৰ গুৰু দায়িত্ব বহন কৰা ৰবিহুৱতী ৰুবি গগৈ সন্দিকৈ আৰু গায়ক ভূৱন গগৈক সম্বৰ্ধনা জ্ঞাপন কৰা হয় উদ্যোক্তসকলৰ তৰফৰ পৰা।

